জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪২৬/২০২০

**মুখ্যমন্ত্ৰী সোণোৱাল আৰু কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে বাঘজানত উপস্থিত হৈ গেছ কূপৰ অগ্নিকাণ্ডৰ বুজ ল'লে**

# বাঘজানৰ ঘটনাত ক্ষতিগ্ৰস্তসকলক সৰ্বোচ্চ ক্ষতিপূৰণ প্ৰদান কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

# ছিংগাপুৰ, অষ্ট্ৰেলিয়া, কানাডা, আমেৰিকাৰ বিশেষজ্ঞই অগ্নি নিৰ্বাপনৰ ক্ষেত্ৰত দৃঢ়তাৰে কাম কৰি আছে ঃ মুখ্যমন্ত্ৰী

# বাঘজানৰ গেছ কূপৰ অগ্নি নিৰ্বাপনৰ লগতে ক্ষতিগ্ৰস্তসকলক সকাহ দিয়াৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে যৌথ পদক্ষেপ গ্ৰহণ কৰিছে ঃ কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী

**দিছপুৰ, ১৪ জুন ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ সৈতে আজি তিনিচুকীয়া জিলাৰ বাঘজান ভ্ৰমণ কৰি গেছ কূপৰ অগ্নিকাণ্ডৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ চৰজমিন বুজ লয়। বিদেশী বিশেষজ্ঞৰ লগতে অইল ইণ্ডিয়া লিমিটেড আৰু অন্য প্ৰতিষ্ঠানৰ সহযোগত গেছ কূপটোৰ অগ্নি নিৰ্বাপনৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰাজিৰ সম্পৰ্কত তেওঁলোকে বুজ লয়।

মুখ্যমন্ত্ৰী সোণোৱাল আৰু কেন্দ্ৰীয় মন্ত্ৰী প্ৰধানে গেছ কূপৰ অগ্নিকাণ্ডৰ ফলত ক্ষতিগ্ৰস্ত হোৱা বাঘজানৰ চুবুৰীয়া অঞ্চলৰ ৰাইজে আশ্ৰয় লৈ থকা জিলা প্ৰশাসনে স্থাপন কৰা বাঘজান দীঘলটৰং উচ্চ মাধ্যমিক বিদ্যালয়ৰ সাহায্য শিৱিৰো পৰিদৰ্শন কৰে। এই শিৱিৰ ভ্ৰমণ কৰি আশ্ৰয় লৈ থকা জনসাধাৰণক সেৰা যাঁচি তেওঁলোকৰ সৈতে মত-বিনিময় কৰি মুখ্যমন্ত্ৰী সোণোৱালে গেছ কূপৰ দুৰ্ঘটনাৰ ফলত তেওঁলোকে সন্মুখীন হোৱা কষ্ট আৰু জটিলতাৰ প্ৰতি দুখ ব্যক্ত কৰি সহমৰ্মিতা প্ৰকাশ কৰে। এই অগ্নিকাণ্ডৰ ঘটনাক অতিশয় দুৰ্ভাগ্যজনক আৰু অনাকাংক্ষিত বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰে এই ঘটনাক যথেষ্ট গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। ঘটনাৰ খবৰ পোৱাৰ পিছতেই কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ সৈতে ফোনযোগে যোগাযোগ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে পৰিস্থিতি স্বাভাৱিক কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে তৎপৰতাৰে পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে দুৰ্গত ৰাইজৰ খা-খবৰ লোৱাৰ লগতে সকলো ক্ষেত্ৰতে সহযোগিতা আগবঢ়োৱাৰ বাবে কেইবাগৰাকীও জ্যেষ্ঠ মন্ত্ৰী, সাংসদ আৰু বিধায়কে কাম কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিঙক এই অগ্নিকাণ্ড ঘটনাৰ তদন্ত কৰি ১৫ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ ইতিমধ্যে নিৰ্দেশ

দিয়া হৈছে। আনহাতে, অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক (বন্যপ্ৰাণী) এম কে যাদৱক এই গেছ কূপৰ অগ্নিকাণ্ডৰ ফলত পাৰিপাৰ্শ্বিকতাৰ ওপৰত পৰা নেতিবাচক প্ৰভাৱৰ বিষয়ে অধ্যায়ন কৰিবলৈ দায়িত্ব ন্যস্ত কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কেন্দ্ৰীয় চৰকাৰেও এই সমগ্ৰ ঘটনাতো অনুসন্ধান কৰিবৰ বাবে এটা তিনিজনীয় সদস্যৰ উচ্চস্তৰীয় কমিটী গঠন কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে অইল ইণ্ডিয়া লিমিটেড আৰু অ' এন জি চিৰ বিশেষজ্ঞৰ লগতে বিদেশৰ পৰা অহা বিশেষজ্ঞইও সন্মিলিত প্ৰচেষ্টাৰে এই অগ্নিনিৰ্বাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। এই দুঃসময়ত ক্ষতিগ্ৰস্ত জনসাধাৰণে প্ৰদৰ্শন কৰা ধৈৰ্য আৰু সংযমৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে সকলোৰে গভীৰভাৱে শলাগ লয়। মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সমগ্ৰ ঘটনাৱাজি নিৰীক্ষণ কৰি আছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে গেছ কূপৰ অগ্নিকাণ্ডৰ ফলস্বৰূপে সংঘটিত হোৱা ক্ষয়-ক্ষতিৰ জৰীপ চলাই থকা হৈছে আৰু ক্ষতিগ্ৰস্ত লোকসকলক উচিত ক্ষতিপূৰণ প্ৰদান কৰা হ'ব বুলি তেওঁ আশ্বাস প্ৰদান কৰে। বাঘজানবাসী ৰাইজৰ এই জটিল সন্ধিক্ষণত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ে তেওঁলোকৰ লগত আছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাইজৰ দুখ-দুৰ্দশা নাইকীয়া কৰিবলৈ যথাসম্ভৱ সকলো পদেক্ষপ গ্ৰহণ কৰা হ'ব।

বাঘজান অঞ্চলৰ বান-গৰাখহনীয়া সমস্যাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে ৰাজ্য চৰকাৰে ২৭ কোটি টকা ব্যয়ৰে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি ঘোষণা কৰে। ইয়াৰ উপৰি এই অঞ্চলত এখন আদৰ্শ চিকিৎসালয়, এখন পশু চিকিৎসালয় আৰু এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় নিৰ্মাণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰী সোণোৱালে ঘোষণা কৰে। তদুপৰি, তিনিচুকীয়া-বাঘজান পথৰ উন্নয়ন, অইল আৰু ৰাজ্য চৰকাৰৰ যুটীয়া পদক্ষেপেৰে মাগুৰী-মটাপুং বিলক আন্তঃৰাষ্ট্ৰীয় পৰ্যটনৰ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ পদক্ষেপ, আঞ্চলটোৰ মহিলা আত্ম-সহায়ক গোটক আৰ্থিক সাহায্য আৰু অঞ্চলটোত এটা দক্ষতা বিকাশ কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী সোণোৱালে ঘোষণা কৰে।

শিবিৰত আশ্ৰয় লৈ থকা লোকসকলক সম্বোধন কৰি কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশক্ৰমে তেওঁ বাঘজানলৈ আহিছে আৰু পেট্ৰ'লিয়াম মন্ত্ৰালয়ে গেছ কূপটোত সংঘটিত দূৰ্ঘটনাৰ ফলত সৃষ্টি হোৱা পৰিৱেশৰ ওপৰত চোকা নজৰ ৰাখিছে। দুৰ্ঘটনাতো সংঘটিত হোৱা দিনৰে পৰা মুখ্যমন্ত্ৰী সোণোৱালৰ সৈতে ফোনযোগে যোগাযোগ অব্যাহত ৰখাৰ কথা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰী প্ৰধানে তদুপৰি কয় যে সাম্প্ৰতিক পৰিস্থিতি নিয়ন্ত্ৰণাধীন কৰিবলৈ তথা অগ্নি নিৰ্বাপনৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে যৎপৰোনাস্তি প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ লগতে ক্ষতিগ্ৰস্ত লোকসকলক উচিত ক্ষতিপূৰণৰ আশ্বাস প্ৰদান কৰে তথা গেছ কূপৰ অগ্নি নিৰ্বাপনৰ বাবে অইল কৰ্তৃপক্ষই গ্ৰহণ কৰা পদক্ষেপত স্থানীয় ৰাইজক পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায়। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে যদি কোনো ব্যক্তিৰ অৱহেলাৰ বাবে এই দুৰ্ঘটনা সংঘটিত হৈছে তেন্তে সেইসকলৰ বিৰুদ্ধে প্ৰতিবেদন লাভ কৰাৰ পিছত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

আশ্ৰয় শিবিৰত মুখ্যমন্ত্ৰী সোণোৱালক বাঘজান গাওঁ মিলনজ্যোতি যুৱ সংঘই বিভিন্ন দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰী সোণোৱালে এই দাবীসমূহৰ ওপৰত বিচাৰ-বিবেচনা কৰাৰ আশ্বাস প্ৰদান কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী সোণোৱাল আৰু কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী প্ৰধানে বান্দৰ খাটী উচ্চ

মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা আন এক শিবিৰলৈ গৈ তাত আশ্ৰয় লৈ থকা লোকসকলৰ সৈতেও মত-বিনিময় কৰাৰ উপৰি তেওঁলোকে লাভ কৰা সাহায্য সম্পৰ্কেও বুজ লয়।

মুখ্যমন্ত্ৰী সোণোৱাল আৰু কেন্দ্ৰীয় মন্ত্ৰী প্ৰধানৰ এই পৰিদৰ্শনৰ সময়ত কেন্দ্ৰীয় চৰকাৰৰ খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষি মন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, কেইবাগৰাকীও বিধায়ক, অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য পৰিচালন সঞ্চালক, পেট্ৰ'লিয়াম মন্ত্ৰালয়ৰ যুটীয়া সচিব তথা তথা অইল, অ' এন জি চি আৰু আন বিভাগৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে তিনিচুকীয়া জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত অংশ গ্ৰহণ কৰে। সদৌ মৰাণ ছাত্ৰ সন্থা, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলন, চুতীয়া ছাত্ৰ সন্থা, আদিবাসী ছাত্ৰ সন্থা, গোৰ্খা ছাত্ৰ সন্থা, আটছু, সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদকে ধৰি কেইবাটাও সংগঠনৰ উপস্থিতিত এই বৈঠক অনুষ্ঠিত হয়। বৈঠকত মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে বাঘজানৰ অগ্নি নিৰ্বাপনৰ বাবে লোৱা ব্যৱস্থালীৰ সম্পৰ্কত কয়। মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীগৰাকীয়ে অগ্নি নিৰ্বাপনৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আৰোপ কৰি ছিংগাপুৰ, অষ্ট্ৰেলিয়া, কানাডা আৰু আমেৰিকাৰ বিশেষজ্ঞসকলক বাঘজানলৈ লৈ আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ইতিমধ্যে অন্তৰ্বৰ্তীকালীন সাহায্য হিচাপে ৩০ হাজাৰ টকাকৈ ক্ষতিগ্ৰস্তসকলক দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে অঞ্চলটোত ভূকম্পনৰ বিষয়টো কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। আই আই টি গুৱাহাটী, ৰিজনেল ৰিচাৰ্চ চেণ্টাৰ যোৰহাট আৰু জিঅ'লজিকেল ছাৰ্ভে অৱ ইণ্ডিয়া, শ্বিলঙৰ নেতৃত্বত এই পৰিঘটনা অধ্যয়নৰ বাবে শীঘ্ৰে এক বিশেষজ্ঞ সমিতি গঠন কৰা হ'ব। বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন লাভ কৰাৰ পিছতেই চৰকাৰে উপযুক্ত কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে এই জটিল সময়ত ছাত্ৰ সংগঠনকে ধৰি সকলোৰে সহযোগিতা আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। পেট্ৰ'লিয়াম মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে হ্ৰস্বকালীন, দীৰ্ঘকালীন ব্যৱস্থা, ক্ষতিগ্ৰস্ত লোকসকলক সাহায্য প্ৰদান আৰু পাৰিপাৰ্শ্বিকতা অক্ষুণ্ণ ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ৰাজ্য চৰকাৰৰ সহযোগত এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে কয়।

ইয়াৰ পিছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে বাঘজান অঞ্চলক সকলো ক্ষেত্ৰতে আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। ভৱিষ্যতে যাতে এনেধৰণৰ দুৰ্ঘটনা সংঘটিত নহয়, তাৰ বাবে নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ দিশত এক উপযুক্ত ব্যৱস্থা গঢ়ি তুলিবলৈ কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীগৰাকীয়ে কয় যে অসমৰ অৰ্থনীতি আৰু নিয়োগৰ ক্ষেত্ৰত তৈল খণ্ডৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। বৰ্তমানৰ এই সংকটৰ সময়ত ৰাজ্য চৰকাৰৰ লগতে জনসাধাৰণৰো সহযোগিতা লাভ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়।

**পুঃডেঃ**
**১৪/৬/২০২০**